প্ৰেছ বিজ্ঞপ্তি

১৪ অক্টোবৰ, ২০১৬

**এইছ চি বি এল কো-অপাৰেটিভ বেংক লিমিটেড, লক্ষ্নৌ, উত্তৰ প্ৰদেশক জাৰি কৰা নিৰ্দেশৰ বৈধতা আৰ বি আইয়ে ১৫ এপ্ৰিল,২০১৭লৈকে সম্প্ৰসাৰিত কৰিছে**

ভাৰতীয় ৰিজাৰ্ভ বেংকে এইছ চি বি এল কো-অপাৰেটিভ বেংক লিমিটেডক জাৰি কৰা নিৰ্দেশ ১৬ অক্টোবৰ,২০১৬ তাৰিখৰ পৰা ১৫ এপ্ৰিল,২০১৭লৈকে আৰু চমাহৰ বাবে সম্প্ৰসাৰিত কৰিছে, পৰ্যালোচনা সাপেক্ষে। বেংকিং বিনিয়ম আইন,২৯৪৯ (এএচিএছ)ৰ ধাৰা ৩৫কৰ অধীনত দিনাংক ১০ এপ্ৰিল,২০১৫ৰ দ্বাৰা বেংকটোক ১৬ এপ্ৰিল,২০১৫ৰ ব্যৱসায় সামৰণিৰ পৰা নিৰ্দেশাধীন কৰা হৈছিল। উক্ত নিৰ্দেশৰ সালসলনি ঘটোৱা হয় আৰু ইয়াৰ বৈধতা ১৫ অক্টোবৰ,২০১৬ পৰ্যন্ত সম্প্ৰসাৰিত কৰা হৈছিল। ৭ অক্টোবৰ,২০১৬ তাৰিখৰ নিৰ্দেশ মৰ্মে নিৰ্দেশাধীন ব্যৱস্থা পুনৰ ১৫ এপ্ৰিল,২০১৭লৈকে বঢ়াই দিয়া হয়। নিৰ্দেশটোৰ অন্যান্য চৰ্তাৱলী অপৰিৱৰ্তিত থাকিব। ৭ অক্টোবৰ,২০১৬ৰ নিৰ্দেশটো জনসাধাৰণে পঢ়িব পৰাকৈ বেংকটোৰ চৌহদত প্ৰদৰ্শিত হৈছে।

পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ৰিজাৰ্ভ বেংকে নিৰ্দেশটোৰ সালসলনি ঘটোৱাটো বিবেচনা কৰিব পাৰে।

**অনিৰুদ্ধ ডি. যাদৱ**
সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি- ২০১৬-১৭/৯২৮**